

## অধিক তথ্যৰ বাবে যোগাযোগ কৰকঃ

ৰাজ্যিক প্ৰকল্প ব্যৱস্থাপনা কেন্দ্ৰ, অসম মিলেট মিছন,
কৃষি সঞ্চালকালয়, খানাপাৰা, গুৱাহাটী-২২
Email: amm.spmu@gmail.com
Toll free no: +91 18001020338

অসম চৰকাৰ
কৃষি বিভাগ

# অসম মিলেট মিছন



## অসমত মিলেটৰ বাবে কৃষক

**অসম মিলেট মিছনে** প্ৰগতিশীল কৃষকসকলক **মিলেটৰ পথ প্ৰদৰ্শক** হ'বলৈ আহ্বান জনাইছে।

এজন প্ৰগতিশীল কৃষক হিচাপে আপুনি এক পৰিৱৰ্তন আনিব পাৰে। মিলেট, যি এতিয়া ভাৰতত **'শ্ৰীঅন্ন'** হিচাপে অভিহিত, সেই সৰ্বোত্তম শস্যবিধৰ খেতি কৰোৱাই আপোনাৰ সতীৰ্থ কৃষকসকলক লাভৱান্বিত কৰাওঁক।

যি কোনো সহায়ৰ বাবে যোগাযোগ কৰকঃ
জিলা কৃষি বিষয়াৰ কাৰ্যালয়



**আপুনি কেনেদৰে এগৰাকী মিলেট পথপ্ৰদৰ্শক হ'ব পাৰে, আহক আমি সেই পদক্ষেপবোৰ জানি লওঁ:**

শ্ৰীঅন্ন উৎপাদনৰ লাভালাভ সম্পৰ্কে আপোনাৰ পৰিয়াল, ওচৰ-চুবুৰীয়া, আপোনাৰ কৃষক উৎপাদক গোট (এফ. পি. চি.) অথবা আত্মসহায়ক গোট আৰু তেনেধৰণৰ ৰাজহুৱা মঞ্চবোৰত প্ৰচাৰ কৰক। আপোনাৰ সতীৰ্থ কৃষকসকলক সমূহীয়াভাৱে খেতি কৰিবলৈ, শস্যবোৰ একলগ কৰি সংসাধন কৰিবলৈ, নিজৰ ঘৰত খোৱাৰ অভ্যাস আৰম্ভ কৰিবলৈ আৰু মূল্য সংসাধন কৰি নিজাববীয়াকৈ মিলেটৰ সামগ্ৰীৰ বিভিন্ন ব্ৰেণ্ড প্ৰস্তুত কৰিবলৈ অনুপ্ৰাণিত কৰক।



**পদক্ষেপ ১:** কৃষকসকল একগোট হৈ আপোনাৰ জিলা কৃষি বিষয়াক লগ ধৰক, মিলেটৰ খেতি কৰিবলৈ আপুনি যে আগ্ৰহী তাক অৱগত কৰক আৰু ৫-১০ জন বা ততোধিক আগ্ৰহী কৃষকৰ নাম মনোনীত কৰক। এই কামখিনি কৰোঁতে আপোনাৰ খণ্ডৰ কৃষি উন্নয়ন বিষয়াৰ সহায় লওক।

**পদক্ষেপ ২:** কৃষি পদ্ধতি, খেতি চপোৱাৰ পৰৱৰ্তী পৰ্যায়ৰ  আৰু মূল্য সংসাধনৰ বাবে কৰিবলগীয়া বিভিন্ন কাৰ্যকলাপ সম্বন্ধীয় প্ৰশিক্ষণ লওঁক। লগতে অসম মিলেট মিছনৰ অধীনত প্ৰযুক্তিগত প্ৰদৰ্শনমূলক খেতি আৰু 'মিনিকিট' আঁচনিৰ জৰিয়তে বীজ আৰু অন্যান্য সুবিধা লাভ কৰক।

**পদক্ষেপ ৩:** মিলেটৰ শস্যকাল ৭০-১২০ দিনীয়া। বীজ সিঁচাৰ ৫০ দিন পিছত চৰকাৰৰ ওচৰত চপোৱা শস্য বিক্ৰী কৰিবলৈ আগ্ৰহী কৃষকসকলৰ এখন তালিকা প্ৰস্তুত কৰক আৰু আপোনাৰ কৃষি উন্নয়ন বিষয়াৰ হাতত জমা দিয়ক। প্ৰতি বছৰে, উপযোগী সময়ত অসম চৰকাৰৰ ফালৰ পৰা আপোনাৰ পৰা মিলেট শস্য কিনিবলৈ নিৰ্ধাৰণ কৰা নূন্যতম সমৰ্থন মূল্য বা উচিত মূল্যৰ বিষয়ে আপোনাক অৱগত কৰোৱা হ'ব। অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ জৰিয়তে কিনিব লগা আপোনাৰ মিলেট শস্যৰ বাবে সকলো যাৱতীয় ব্যৱস্থা জিলা কৃষি বিষয়াৰ দ্বাৰা সম্পূৰ্ণ কৰা হ'ব।

**পদক্ষেপ ৪:** মিলেট শস্য চপোৱাৰ পৰৱৰ্তী পৰ্যায়ত আপোনালোকে শস্যবোৰ একগোট কৰিব পাৰে আৰু ২০২৩ বৰ্ষৰ মাজভাগৰ পৰা আপোনাৰ ওচৰৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ পৰা শস্য চপোৱাৰ পৰৱৰ্তী ব্যৱস্থাপনা সম্বন্ধীয় সহায় লাভ কৰিব পাৰে। ভৱিষ্যতে, আপোনাৰ এফ. পি. চি.য়েও কাষ্টম হায়াৰিং চেন্টাৰ (চি. এইচ. চি.)ৰ দ্বাৰা খেতি চপোৱাৰ পৰৱৰ্তী যন্ত্ৰ-পাতিৰ বাবে প্ৰস্তাৱ আগবঢ়াব পাৰে, যাৰ বাবে বিভিন্ন চৰকাৰী আঁচনিৰ অধীনত আপুনি আৰ্থিক সাহায্যও লাভ কৰিব পাৰিব।



